জাতিৰ সেৱাত উৎসৰ্গিত (৬০) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

৩৪১ সংখ্যা, ৩ শাওণ, দেওবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 341। DIBRUGARH, SUNDAY, JULY 20, 2025 ।পৃষ্ঠা ১২+৪ (Pages 12

মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ জাতীয়তাব

## ৰত জলসিঞ্চনৰ দাবীত



দৈনি
গুৱাহ
খৰাং
জলসি
অসম
তোে
ছাত্ৰ

ৰা কৃষকে নাপায় ক্ষতিপূৰণ ■ পৰি

জিলাতেই ব

## কানৈ মহাবিদ্যালয়ত স্ব-অৰ্থায়িত পাঠ্যক্ৰম শুভাৰম্ভ

জিলাৰ বাতৰি দিওঁতা

ডিব্ৰুগড়, ১৯ জুলাই ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ স্ব-অৰ্থায়িত পাঠ্যক্ৰমৰ শুভাৰম্ভ অনুষ্ঠান অহা ২১ জুলাইত মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। দিনৰ ১১-৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানটোত উদ্বোধনী ভাষণ প্ৰদান কৰিব মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। সমাজতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ফাৰহিন আহমেদ আঁত ধৰিবলগীয়া অনুষ্ঠানটোত আগন্তুক শিক্ষাবৰ্ষৰ বিভিন্ন দিশৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়ৰ ন ন পাঠ্যক্ৰমৰ বিষয়েও অৱগত কৰা হ'ব। স্ব-অৰ্থায়িত পাঠ্যক্ৰম ক্ৰমে সমাজতত্ত্ব, শিক্ষাতত্ত্ব, মনোবিজ্ঞান, সাংবাদিকতা আৰু গণসংযোগ, বায়টেকনলজী বিভাগৰ এই শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকিব উপাধ্যক্ষ অভিজিত বৰুৱা, পৰীক্ষা নিয়ন্ত্ৰক ডঃ মৃদুল শৰ্মাৰ লগতে সমূহ স্ব-অৰ্থায়িত বিভাগৰ মুৰব্বী আৰু অধ্যাপক-অধ্যাপিকাসকল।

বাক্সাৰ শিলবাৰীত ইউ পি

## বি টি চিত কোনে তাৰ সিদ্ধান্ত ৰাইজে

নিজা বাতৰি দিওঁতা

জালাহ, ১৯ জুলাই ঃ বাক্সাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত শিলবাৰী ভি চি ডি চিৰ কাৰ্যালয় প্ৰাংগণত ইউ পি পি এলৰ মুছলপুৰ জিলা মহিলা গোটৰ উদ্যোগত আজি আগন্তুক বি টি চি নিৰ্বাচনৰ প্ৰস্তুতিৰ হকে এখন মহিলা সজাগতা সভা অনুষ্ঠিত হয়। অহা ছেপ্টেম্বৰত দুৰ্গা পূজাৰ আগেয়ে অনুষ্ঠিত হ'ব লগা বি টি চি নিৰ্বাচনত ককলাবাৰী পৰিষদীয় সমষ্টিটো যাতে এইবাৰো নিজৰ দখলত ৰাখিব পৰা যায় তাৰ বাবে ইতিমধ্যে সমষ্টিটোৰ শিমলাত বুথ পৰ্যায়ৰ কৰ্মী সন্মিলন আৰু ৰাবাং বৰ'বজাৰত হিতাধিকাৰী সন্মিলন অনুষ্ঠিত কৰাৰ পাছত আজি মহিলাসকলক দলটোৰ প্ৰতি আকৰ্ষণ কৰাৰ উদ্দেশ্যে শিলবাৰীত মহিলা সজাগতা সভাখন অনুষ্ঠিত কৰা হয়। ককলাবাৰী ব্লক মহিলা গোটৰ সভাপতি মিনু ৰামছিয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত আদৰণী ভাষণ দিয়ে ককলাবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ মণ্টু বড়োৱে। সভাত অংশগ্ৰহণ কৰি ভাষণ দিয়ে ইউ পি পি এলৰ কেন্দ্ৰীয় মহিলা গোটৰ সম্পাদিকা হেলেনা স্বৰ্গীয়াৰীয়ে। তেওঁ ভাষণত মহিলাসকলৰ উন্নয়নৰ বাবে দলে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ উল্লেখ কৰে। সভাত বাক্সা জিলা ইউ পি



পি এলৰ সম্পাদক দয়া
নেতৃবৃন্দ উপস্থিত
সাংবাদিকসকলক সম্বো
পৰিষদীয় সমষ্টিৰ পাৰিষ
সপক্ষে ককলাবাৰী সমষ্টি
নিশাই কাম কৰি থকা বু
কোন দল শাসনলৈ আ
কয় 'যিহেতু ছেপ্টেম্বৰ
ফলাফললৈ অপেক্ষা ক
কৰিব আপোনালোকে